প্ৰঃ বুদ্ধি কি? ইয়াৰ বৈশিষ্ট্যবোৰ লিখা।

বুদ্ধি হৈছে ব্যক্তিৰ এক সাধাৰণ মানসিক ক্ষমতা। ই ব্যক্তিক জীৱনৰ বাস্তৱ সমস্যাসমূহ সন্মুখীন হব পৰাকৈ আয়ত্ব কৰা ক্ষমতাসমূহকো সামৰি লয়। বুদ্ধিয়ে মানুহক যুক্তিসহকাৰে ভাবিবলৈ, চিন্তা কৰিবলৈ, বুজিবলৈ আৰু নতুন পৰিৱেশত সমাযোজন কৰৈবলৈ সমৰ্থ কৰি তুলে। বুদ্ধিৰ ফলত ব্যক্তিয়ে যিকোনো সমস্যা সমাধান কৰিলৈ সক্ষম হয়। ই ব্যক্তিৰ জ্ঞান, মনোভংগী, বা মনোভাৱ, আগ্ৰহ, আৰু কৌশলৰ  সৈতে জড়িত।

টাৰমেনৰ মতে "বুদ্ধি হৈছে বিমূৰ্ত চিন্তা কৰিব পৰা ক্ষমতা।"

মনোবিজ্ঞানী ষ্টানৰ মতে "বুদ্ধি হৈছে জীৱনৰ নতুন নতুন সমস্যা আৰু অৱস্থাবোৰ অনুকূল কৰি তুলিব পৰা  সাধাৰণ মানসিক ক্ষমতা।"

ডেভিদ ৱেস্কলাৰৰ মতে "বুদ্ধি হৈছে ব্যক্তিৰ এক সামগ্ৰিক বা জাগতিক ক্ষমতা যাৰ দ্বাৰা তেওঁ উদ্দেশ্যপূৰ্ণভাৱে কাম কৰিব পাৰে, যুক্তিপূৰ্ণভাৱে চিন্তা কৰিব পাৰে আৰু পৰিবেশৰ সৈতে আদান-প্ৰদান কৰিব পাৰে।"

বুদ্ধিৰ বৈশিষ্ট্যবোৰঃ

১। ই ব্যক্তিৰ এক সাধাৰণ মানসিক ক্ষমতা আৰু ই জন্মগত আৰু অৰ্জিতও হব পাৰে।

২। বুদ্ধি হৈছে নতুন পৰিৱেশৰ সৈতে সমাযোজন  কৰা কৌশলবিশেষ।

৩। ই বিমূৰ্ত চিন্ত ক্ষমতাৰ সৈতে জডিত।

৪। বুদ্ধি মানে জান নহয়। অৱশ্যে জ্ঞান আহৰণ বহুৰ পৰিমাণে বুদ্ধিৰ ওপৰত  নিৰ্ভৰ কৰে।

৫। বুদ্ধি এনে এক উপাদান যিয়ে ব্যক্তিৰ চৰিত্ৰ গঠন,  সমাযোজন আৰু সাফল্যৰ ক্ষেত্ৰত আৱদান আগবঢ়ায়।

%%%